Total No. of printed pages = 19

ROYAL SCHOOL OF COMMERCE GUWAHATI

4(Sem 2) FACT

2015

# FINANCIAL ACCOUNTING–II

Paper : 202

Full Marks – 80

Time – Three hours

The figures in the margin indicate full marks for the questions.

Answer either in English or in Assamese.

উত্তৰ ইংৰাজী অথবা অসমীয়াত কৰিবা।

1. Answer the following questions as directed : $1\times10=10$

তলত দিয়া প্ৰশ্নবোৰৰ নিৰ্দেশ অনুযায়ী উত্তৰ দিয়া ঃ

(i) Choose the correct alternative :

শুদ্ধ বিকল্প বাছনি কৰা ঃ

AS–6 relates to :

হিচাপৰ মানক–6-ৰ লগত জড়িত বিষয়টো হ'ল ঃ

(a) Accounting for Amalgamation

সংযুক্তিকৰণৰ হিচাপীয় ব্যৱস্থা

[Turn over

(b) Revenue Recognition

ৰাজস্ব স্বীকৃতি

(c) Depreciation Accounting

অৱক্ষয় হিচাপকৰণ

(d) Accounting for Fixed Assets

স্থায়ী সম্পত্তিৰ হিচাপীয় ব্যৱস্থা

(ii) From the following options, select the Accounting Standard which is applicable to consolidated financial statements :

একত্ৰীকৃত বিত্তীয় বিবৃতিৰ লগত জড়িত হিচাপৰ মানকটো তলত দিয়া বিকল্পবোৰৰ পৰা বাছনি কৰা ঃ

(a) AS–9

হিচাপৰ মানক—9

(b) AS–10

হিচাপৰ মানক—10

(c) AS–14

হিচাপৰ মানক—14

(d) AS–21

হিচাপৰ মানক—21



(iii) AS–10 is applicable to all fixed assets including wasting assets like minerals, oils and natural gas.

(State whether the statement is true or false)

হিচাপৰ মানক—10 ক্ষয়িষ্ণু সম্পত্তি যেনে খনিজ, তেল আৰু প্ৰাকৃতিক গেচ্ আদি কৰি সকলো ধৰণৰ স্থায়ী সম্পত্তিৰ ক্ষেত্ৰত প্ৰযোজ্য হয়।

(উক্ত বাক্যটো শুদ্ধ নে অশুদ্ধ লিখা)

(iv) The difference between goods sent to branch and goods received by branch represents ________. (Fill in the blank)

শাখালৈ প্ৰেৰণ কৰা সামগ্ৰীৰ পৰিমাণ আৰু শাখাৰ দ্বাৰা গৃহীত সামগ্ৰীৰ পৰিমাণৰ পাৰ্থক্যক কোৱা হয় _____।

(খালী ঠাই পূৰণ কৰা)

(v) Choose the correct alternative :

শুদ্ধ বিকল্প বাছনি কৰা ঃ

Under Stock and Debtors system, gross profit or gross loss at branch is ascertained by opening :

মজুত পণ্য আৰু দেনাদাৰ পদ্ধতিত, মুঠ লাভ আৰু মুঠ লোকচান্ নিৰ্দ্ধাৰণ কৰাৰ বাবে প্ৰস্তুত কৰা হয় ঃ

(a) Branch Account

শাখা হিচাপ

(b) Branch Cash Account

শাখাৰ নগদ ধনৰ হিচাপ

(c) Branch Adjustment Account

শাখাৰ সংযোজন হিচাপ

(d) None of the above.

ওপৰৰ এটাও নহয়।

(vi) What is the meaning of Inland Branch under Branch Account ?

শাখা হিচাপৰ অন্তৰ্ভুক্ত দেশীয় শাখাৰ অৰ্থ কি?

(vii) Goodwill is an advantage of keeping the permanent customers of the business only. (State whether this statement is true or false)

সুনাম হ'ল ব্যৱসায়ৰ কেৱলমাত্ৰ স্থায়ী গ্ৰাহক সকলোক ৰখাৰ এটা সুবিধা।

(উক্ত বাক্যটো শুদ্ধ নে অশুদ্ধ লিখা)



(viii) Choose the correct alternative :

শুদ্ধ বিকল্প বাছনি কৰা ঃ

Super profit is the :

অতি লাভ হ'ল ঃ

(a) Excess of normal profit over actual profit

প্ৰকৃত লাভৰ ওপৰত থকা স্বাভাবিক লাভৰ অতিৰিক্ত অংশখিনি

(b) Excess of previous year's profit over current year's profit

চলিত বছৰৰ লাভৰ ওপৰত থকা বিগত বছৰৰ লাভৰ অতিৰিক্ত অংশখিনি

(c) Excess of actual profit over normal profit

স্বাভাবিক লাভৰ ওপৰত থকা প্ৰকৃত লাভৰ অতিৰিক্ত অংশখিনি

(d) Excess of current year's profit over previous year's profit

বিগত বছৰৰ লাভৰ ওপৰত থকা চলিত বছৰৰ লাভৰ অতিৰিক্ত অংশখিনি

(ix) Goodwill can be disposed of separately apart from the business as a whole.

(State whether this statement is true or false)

সমগ্ৰ ব্যৱসায়ৰ পৰা পৃথককৈ বিচ্ছিন্ন কৰি সুনাম বিক্ৰি কৰিব পৰা যায়।

(উক্ত বাক্যটো শুদ্ধ নে ভুল লিখা)

(x) When a firm is dissolved, _______ Account is prepared to ascertain profit or loss on realisation. (Fill up the blank)

এটা অংশীদাৰি প্ৰতিষ্ঠানৰ অৱসায়ন হ'লে, আদায়কৰণৰ লাভ অথবা লোক্চান্ নিৰ্ণয় কৰাৰ বাবে, _______ হিচাপ প্ৰস্তুত কৰা হয়। (খালী ঠাই পূৰণ কৰা)

2. Answer the following questions in brief : 2×5=10

তলত দিয়া প্ৰশ্নবোৰৰ চমুকৈ উত্তৰ লিখা ঃ

(a) Write a short note on "Exposure Draft" in the context of setting IFRS.

IFRS গঠন কৰাৰ সন্দৰ্ভত "Exposure Draft"-ৰ ওপৰত চমু টোকা লিখা।

(b) Mention any two objectives of Branch Accounting.

শাখাযুক্ত হিচাপৰ যি কোনো দুটা উদ্দেশ্য উল্লেখ কৰা।



(c) What is purchased Goodwill ?

ক্ৰয় কৰা সুনামৰ অৰ্থ কি?

(d) Mention any two objectives of preparing departmental accounts.

বিভাগীয় হিচাপ প্ৰস্তুত কৰাৰ যি কোনো দুটা উদ্দেশ্য উল্লেখ কৰা।

(e) What basis shall be followed for the apportionment of the following common expenses among departments ?

তলত দিয়া উমৈহতীয়া খৰচবোৰ কিহৰ ভিত্তিত বিভাগবোৰৰ মাজত বিতৰণ কৰিব লাগে?

(i) Discount allowed

মঞ্জুৰীকৃত বাট্টা

(ii) Medical benefits

চিকিৎসাৰ সুবিধা

3. Answer any *four* of the following questions : 5×4=20

তলত দিয়া প্ৰশ্নবোৰৰ পৰা যি কোনো চাৰিটাৰ উত্তৰ লিখা ঃ

(a) Write a critical note on the enforcement of accounting standards in India.

ভাৰতবৰ্ষত হিচাপৰ মানৰ প্ৰযোজ্যৰ ওপৰত এটি সমালোচনামূলক টোকা লিখা।

Or / অথবা

Briefly explain the process of issuing International Financial Reporting Standards.

আন্তৰ্জাতিক বিত্তীয় প্ৰতিবেদনৰ মানক বিলিকৰণৰ পদ্ধতি চমুকৈ ব্যাখ্যা কৰা।

(b) Explain the method of converting the figures of a foreign branch Trial Balance into the home currency.

এটা বিদেশী শাখাৰ উদ্বৃত্ত মিলনপত্ৰৰ অংকবোৰক দেশীয় মুদ্ৰালৈ ৰূপান্তৰিত কৰাৰ পদ্ধতি ব্যাখ্যা কৰা।

(c) The net profit of a company, after providing for taxation, for the past five years are ₹ 42,000/-, ₹ 47,000/-, ₹ 45,000/-, ₹ 39,000/- and ₹ 47,000/-. The capital employed in the business is ₹ 4,00,000/- on which a reasonable rate of return of 10% is expected.

Calculate the goodwill under

কৰৰ ভবিষ্যৎ ব্যৱস্থা কৰাৰ পিছত এটা কোম্পানীৰ বিগত পাঁচ বছৰৰ নিট্ লাভ আছিল 42,000 টকা, 47,000 টকা, 45,000 টকা, 39,000 টকা আৰু 47,000 টকা। ব্যৱসায়ত বিনিয়োগকৃত মূলধনৰ পৰিমাণ আছিল 4,00,000 টকা আৰু তাৰ ওপৰত যুক্তিসঙ্গত 10% আয় আশা কৰা গৈছিল।

তলত দিয়া পদ্ধতি দুটা অনুসৰি সুনামৰ মূল্য নিৰ্ণয় কৰা।



(i) Capitalisation of average profit method and

গড় লাভৰ মূলধনীকৰণ পদ্ধতি আৰু

(ii) Capitalisation of super profit method.

অতি লাভৰ মূলধনীকৰণ পদ্ধতি।

(d) Explain in brief the various modes of dissolution of a partnership firm.

এটা অংশীদাৰী প্ৰতিষ্ঠানৰ অৱসায়নৰ বিভিন্ন পদ্ধতিবোৰ সংক্ষেপে ব্যাখ্যা কৰা।

(e) Briefly explain the reasons for disagreement between the balance of the Branch Account in Head Office books and the balance of Head Office Account in Branch books.

মুখ্য কাৰ্য্যালয়ৰ বহীত শাখা হিচাপৰ উদ্বৃত্ত আৰু শাখাৰ বহীত মুখ্য কাৰ্য্যালয় হিচাপৰ উদ্বৃত্তৰ মাজত থকা অমিলৰ কাৰণবোৰ চমুকৈ ব্যাখ্যা কৰা।

4. Answer any *four* of the following questions : 10×4=40

তলত দিয়া প্ৰশ্নবোৰৰ পৰা যি কোনো চাৰিটা প্ৰশ্নৰ উত্তৰ লিখা :

(a) Elaborately explain the AS–3 (Cash flow) prescribed by the ICAI.

ICAI-এ অনুমোদন কৰা AS–3 (নগদ ধনৰ প্ৰবাহ) বহলাই ব্যাখ্যা কৰা।

Or / অথবা

Describe the different methods of valuation of Goodwill.

সুনামৰ মূল্যায়নৰ বিভিন্ন পদ্ধতিবোৰ বৰ্ণনা কৰা।

(b) From the following particulars relating to Dibrugarh Branch for the year ending December 31, 2014, prepare Dibrugarh Branch Account in the books of Head Office :

তলত দিয়া তথ্যবোৰৰ পৰা 31 ডিচেম্বৰ, 2014 তাৰিখত অন্তপৰা বছৰটোৰ বাবে মুখ্য কাৰ্য্যালয়ৰ বহীত ডিব্রুগড় শাখা হিচাপ প্ৰস্তুত কৰা ঃ

Stock on 1st January, 2014 = ₹ 30,000/-

1-1-2014 তাৰিখত মজুত পণ্য

Debtors on 1st January, 2014 = ₹ 12,000/-

1-1-2014 তাৰিখত দেনাদাৰ

Petty cash on 1st January, 2014 = ₹ 200/-

1-1-2014 তাৰিখত খুচুৰা নগদ

Goods sent to Branch during the year = ₹ 50,000/-

বছৰটোত শাখালৈ প্ৰেৰিত পণ্য দ্ৰব্য



Goods returned to Head Office = ₹ 600/-

মুখ্য কাৰ্য্যালয়লৈ ফিৰৎ দিয়া পণ্য দ্ৰব্য

Sales at Branch :

শাখাত বিক্ৰী ঃ

Cash = ₹ 30,000/-

নগদ

Credit = ₹ 42,000/- ₹ 72,000/-

বাকী

Sales return to Branch = ₹ 300/-

শাখালৈ বিক্ৰী ফিৰৎ

Bad debts written off = ₹ 350/-

অনুদ্ধাৰণীয় ঋণ

Branch expenses paid by Head Office = ₹ 3,000/-

মুখ্য কাৰ্য্যালয়ে আদায় দিয়া শাখাৰ খৰচ

Petty cash sent to the Branch = ₹ 500/-

শাখালৈ পঠুৱা খুচুৰা নগদ ধন

Furniture purchased by Branch = ₹ 1,000/-

শাখাৰ দ্বাৰা আচ্‌বাব্ ক্ৰয়

Stock on 31st December, 2014 = ₹ 12,500/-

31-12-2014 তাৰিখত মজুত পণ্য

Cash received from customers = ₹ 35,000/-

ক্ৰেতাৰ পৰা প্ৰাপ্ত নগদ ধন

Petty expenses incurred by Branch = ₹ 400/-

শাখাৰ খুচুৰা খৰছ

(c) From the following balances, extracted from the books of a Departmental Store, having two departments, prepare Departmental Trading and Profit and Loss Account for the year ended 31st March, 2015 :

দুটা বিভাগ থকা এটা বিভাগীয় ব্যৱসায় প্ৰতিষ্ঠানৰ তলত দিয়া তথ্যবোৰৰ পৰা 31 মাৰ্চ, 2015 তাৰিখত অন্তপৰা বছৰটোৰ বাবে বিভাগীয় বেপাৰ আৰু লাভ-লোকচান হিচাপ প্ৰস্তুত কৰা ঃ



| | Deptt. – A ₹ | Deptt. – B ₹ |
|---|---|---|
| Stock on 1.4.14<br>1.4.14 তাৰিখত মজুত পণ্য | 3,400/- | 2,900/- |
| Purchases<br>ক্ৰয় | 7,280/- | 6,300/- |
| Sales<br>বিক্ৰয় | 12,560/- | 9,620/- |
| Wages<br>মজুৰি | 1,740/- | 440/- |
| Purchases Returns<br>ক্ৰয় ফিৰৎ | 280/- | 300/- |
| Sales Returns<br>বিক্ৰয় ফিৰৎ | 560/- | 620/- |

Other expenses and incomes :

অন্যান্য খৰছ আৰু আয় ঃ

| | ₹ |
|---|---|
| Salaries<br>দৰমহা | 600/- |
| Advertisement<br>বিজ্ঞাপন | 736/- |

| | ₹ |
|---|---|
| Carriage Inwards<br>ক্ৰয়ৰ বাবে পৰিবহণ ব্যয় | 468/- |
| Rent and Taxes<br>ভাড়া আৰু কৰ | 1,878/- |
| Electric charges<br>বিদ্যুৎ খৰছ | 627/- |
| Discount allowed to Debtors<br>দেনাদাৰক মঞ্জুৰ কৰা বাট্টা | 441/- |
| Discount received from Creditors<br>পাওনাদাৰৰ পৰা প্ৰাপ্ত বাট্টা | 1,968/- |
| Sundry Expenses<br>বিভিন্ন খৰচ | 720/- |

The following further information is given :
তলত অতিৰিক্ত তথ্য দিয়া হ'ল ঃ

(i) Stock on 31st March, 2015 :
31-3-2015 তাৰিখে মজুত পণ্য ঃ

Deptt. A = ₹ 3,348/-
A বিভাগ

Deptt. B = ₹ 2,410/-
B বিভাগ



(ii) The following items are to be apportioned between Department–A and Department–B in the ratio of 2 : 1.

তলত দিয়া খৰছবোৰ বিভাগ A আৰু বিভাগ B-ৰ মাজত 2 : 1 অনুপাতত ভগাব লাগে।

Rent and taxes, sundry expenses, electric charges, salaries and carriage inward.

ভাড়া আৰু কৰ, বিভিন্ন খৰছ, বিদ্যুৎ খৰছ, দৰমহা আৰু ক্ৰয়ৰ বাবে পৰিবহণ ব্যয়।

(iii) Advertisement is to be apportioned equally.

বিজ্ঞাপন ব্যয় সমানভাবে ভগাব লাগে।

(d) Sachin, Rahul and Kumbli sharing profits in the proportion of 3 : 2 : 1 agreed upon dissolution of their partnership on 31st March, 2015 on which date, their Balance Sheet was as follows :

শচীন, ৰাহুল আৰু কাম্বলীয়ে 3 : 2 : 1 অনুপাতে লাভ বণ্টন কৰি অংশীদাৰ আছিল আৰু 31-3-2015 তাৰিখে তেওঁলোকে তেওঁলোকৰ অংশীদাৰী প্ৰতিষ্ঠানৰ অৱসায়ন কৰাৰ সিদ্ধান্ত লয়। উক্ত তাৰিখে তেওঁলোকৰ উদ্বৃত্ত পত্ৰ তলত দিয়াৰ দৰে আছিল ঃ

Balance Sheet

উদ্বৃত্ত পত্ৰ

| Liabilities ঋণ | ₹ | Assets সম্পত্তি | ₹ |
|---|---|---|---|
| Capital মূলধন ঃ | | Inventory মজুত পণ্য | 50,000 |
| Sachin শচীন | 40,000 | Investments বিনিয়োগ | 9,000 |
| Rahul ৰাহুল | 20,000 | Joint life Policy যৌথ বীমা পলিচি | 3,000 |
| Mrs. Sachin's Loan শ্ৰীমতি শচীনৰ পৰা ঋণ | 5,000 | Debtor দেনাদাৰ | 20,000 |
| Creditors পাওনাদাৰ | 18,000 | Kumbli's Capital কাম্বলিৰ মূলধন | 2,000 |
| Joint life Policy Fund যৌথ বীমা পলিচি পুঁজি | 2,000 | Cash নগদ ধন | 1,000 |
| | 85,000 | | 85,000 |

Sachin agreed to pay his wife's loan. Rahul took over investment at ₹ 8,000/-. All other assets were realised at ₹ 1,00,000/-. Realisation expenses amounted to ₹ 1,000/-.



Prepare the necessary ledger accounts for closing the books of the firm.

শচীনে তেওঁৰ স্ত্ৰীৰ ঋণ পৰিশোধ কৰাৰ বাবে সন্মত হ'ল। ৰাহুলে 8,000/- টকাত বিনিয়োগ অধিগ্ৰহণ কৰিলে। অন্যান্য সম্পত্তিবোৰৰ পৰা 1,00,000/- টকা আদায় পোৱা গ'ল। আদায়কৰণ বাবদ খৰচ হৈছিল 1,000/- টকা।

প্ৰতিষ্ঠানটোৰ বহী বন্ধ কৰাৰ বাবে প্ৰয়োজনীয় খতিয়নবোৰ প্ৰস্তুত কৰা।

(e) The following is the Balance Sheet of Barun and Tarun who share profits equally :

বৰুণ আৰু তৰুণে সমানভাবে লাভ বণ্টন কৰি অংশীদাৰ আছিল আৰু তেওঁলোকৰ উদ্বৃত্ত পত্ৰ তলত দিয়াৰ দৰে আছিল ঃ

Balance Sheet

উদ্বৃত্ত পত্ৰ

| Liabilities ঋণ | ₹ | Assets সম্পত্তি | ₹ |
|---|---|---|---|
| Capital : মূলধন | | Goodwill সুনাম | 5,000 |
| Barun বৰুণ | 50,000 | Land & Building ভূমি আৰু ভৱন | 45,000 |
| Tarun তৰুণ | 40,000 | Furniture আচ্বাব্ | 20,000 |

| Liabilities ঋণ | ₹ | Assets সম্পত্তি | ₹ |
|---|---|---|---|
| Tarun's Loan তৰুণৰ ঋণ | 10,000 | Stock মজুত পণ্য | 30,000 |
| Creditors পাওনাদাৰ | 27,000 | Debtors দেনাদাৰ | 27,000 |
| | 1,27,000 | | 1,27,000 |

Brahmaputra Industrial Ltd. acquired all the assets except goodwill and all liabilities except Tarun's loan at the following agreed values :

ব্ৰহ্মপুত্ৰ ইণ্ডাস্ট্ৰিয়েল লিমিটেডে সুনামৰ বাহিৰে সকলো সম্পত্তি আৰু তৰুণৰ ঋণৰ বাহিৰে অন্যান্য সকলো ঋণবোৰ অংশীদাৰী প্ৰতিষ্ঠানৰ পৰা তলত দিয়া মূল্যত ক্ৰয় কৰিলে :

Land and Buildings ₹ 55,000/-

ভূমি আৰু ভৱন

Furniture ₹ 16,000/-

আচ্‌বাব্

Stock ₹ 28,000/-

মজুত পণ্য

Debtors ₹ 25,000/-

দেনাদাৰ

Creditors at Book Value.

পাওনাদাৰ বহীৰ মূল্যত।



Purchase consideration was discharged as follows:

ক্ৰয়মূল্য তলত দিয়া দৰে পৰিশোধ কৰা হ'ল ঃ

₹ 10,000/-, 6% Debentures to pay off Tarun's loan

তৰুণৰ ঋণ পৰিশোধৰ বাবে 10,000/- টকাৰ 6% ঋণপত্ৰ।

6,000 equity shares of ₹ 10/- each and the balance in cash.

6,000 খন ইকুইটি অংশপত্ৰ প্ৰতিখন 10 টকাকৈ আৰু বাকীখিনি নগদ ধনেৰে পৰিশোধ কৰা হ'ল।

Expenses of realisation amounted to ₹ 2,000/-

আদায়কৰণৰ ব্যয়ৰ পৰিমাণ আছিল 2,000/- টকা।

Give journal entries in the books of the firm.

অংশীদাৰী প্ৰতিষ্ঠানৰ বহীত জাবেদা প্ৰবিষ্টি দিয়া।